# ৰিপাব্লিক অফ কোৰিয়ৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

ছেপ্টেম্বৰ 10, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 10 ছেপ্টেম্বৰ 2023 ত নতুন দিল্লীত অনুষ্ঠিত হোৱা G20 শীৰ্ষ সন্মিলনৰ আঁৰত ৰিপাব্লিক অফ কোৰিয়াৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰীযুত ইউন চুক ইয়লক সাক্ষাৎ কৰে।

ৰাষ্ট্ৰপতি ইউন চুক ইয়লে ভাৰতৰ G20 অধ্যক্ষতাৰ বাবে প্ৰধানমন্ত্ৰীক অভিনন্দন জনায়। তেওঁ লগতে চন্দ্ৰযান অভিযানৰ সফলতাৰ বাবে প্ৰধানমন্ত্ৰীক অভিনন্দন জনায়।

নেতাসকলে উল্লেখ কৰে যে এই বৰ্ষ কূটনৈতিক সম্পৰ্ক স্থাপনৰ 50 তম বাৰ্ষিকী। তেওঁলোকে বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা উৎপাদন, অৰ্ধপৰিবাহী আৰু ইভি বেটাৰী প্ৰযুক্তিকে ধৰি দ্বিপাক্ষিক বিশেষ কৌশলগত অংশীদাৰিত্বৰ বিভিন্ন ক্ষেত্ৰত অগ্ৰগতি পৰ্যালোচনা কৰে।

তেওঁলোকে লগতে আঞ্চলিক আৰু বিশ্বব্যাপী বিষয়ৰ ওপৰতো মত বিনিময় কৰে।

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 10, 2023**